# “অসমীয়া ফকৰা-যোজনাৰ ঃ এক বিশ্লেষণ”

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ চতুৰ্থ ষান্মাসিকৰ MA-ASM-04-406(A) কাকতৰ বাবে দাখিল কৰা ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ**


তত্ত্বাৱধায়ক ঃ
ড০ শ্যামলী দলৈ
বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
বিশ্ববিদ্যালয়, নগাঁও

প্ৰস্তুতকৰ্তা ঃ
পৰিস্মীতা বৰা
ৰোল নং- **AS-09/23**
স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
বিশ্ববিদ্যালয়, নগাঁও

# <u>ঘোষণা পত্ৰ</u>

মই **পৰিস্মীতা বৰাই** জনাঁও যে স্নাতকোত্তৰ চতুৰ্থ ষান্মসিকৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ অন্তৰ্গত MA-ASM-04-406 (A) কাকতৰ বাবে "**অসমীয়া ফকৰা-যোজনাৰ ঃ এক বিশ্লেষণ**" শীৰ্ষক গৱেষণা প্ৰকল্পটো ব্যক্তিগত প্ৰচেষ্টাত প্ৰস্তুত কৰা হৈছে।


(পৰিস্মীতা বৰা)

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

নগাঁও (অসম)

অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও
**MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA**
Recongnized under Section 2(F) of UGC Act. 1956
Srimanta Sankardeva Sanngha Complex, Haladhar Bhuyan Path
Kalongpar, Nagaon, Pin-782001, Assam, India

# তত্ত্বাৱধায়কৰ প্ৰমাণ পত্ৰ

ইয়াৰ দ্বাৰা জনোৱা হয় যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী পৰিস্মীতা বৰা আমাৰ তত্ত্বাৱধানত স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিকৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ MA-ASM-04-406 (A) কাকতৰ বাবে "**অসমীয়া ফকৰা-যোজনাৰ ঃ এক বিশ্লেষণ**" শীৰ্ষক গৱেষণা প্ৰকল্পটো সম্পন্ন কৰিছে। বিশ্লেষনাত্মক পদ্ধতি আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰি এই গৱেষণা কৰ্ম সম্পন্ন কৰা হৈছে। গৱেষণা কৰি পোৱা সিদ্ধান্তসমূহ তেওঁৰ নিজৰ আৰু এই প্ৰকল্পটোৰ কোনো অংশ আন কোনো বিশ্ববিদ্যালয় বা অনুষ্ঠানৰ ডিগ্ৰীৰ বাবে ব্যৱহাৰ কৰা নাই।

তাৰিখ ঃ

স্থান ঃ নগাঁও

(ড০ শ্যামলী দলৈ)
বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
নগাঁও (অসম)

# কৃতজ্ঞতা স্বীকাৰ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় (নগাঁও চৌহদ) ৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ অন্তৰ্গত **MA-ASM-04-406 (A)** কাকতৰ বিষয় হিচাপে "**অসমীয়া ফকৰা-যোজনাৰ ঃ এক বিশ্লেষণ**" বিষয়টি নিৰ্বাচন কৰি দিয়াত সহায় কৰা বাবে বিভাগৰ সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই বিষয়টোৰ অধ্যয়নৰ বিভিন্ন দিশত নিৰ্দেৰ্শনা প্ৰদান কৰা ড০ শ্যামলী দলৈ বাইদেউক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিষয়টোৰ অধ্যয়নত দিহা-পৰামৰ্শ প্ৰদান কৰা বিভাগৰসমূহ ছাৰ-বাইদেওক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

# সূচীপত্ৰ


০.০ অৱতৰণিকা ঃ

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়নৰ উদ্দেশ্য

০.৩ অধ্যয়নৰ গুৰুত্ব

০.৪ অধ্যয়নৰ পদ্ধতি

০.৫ অধ্যয়নৰ পৰিসৰ

০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

প্ৰথম অধ্যায় ঃ

১.০ অসমীয়া ফকৰা-যোজনাৰ পৰিচয়

০.০১ সাধাৰণ ফকৰা-যোজনা

০.০২ ভকতীয়া ফকৰা-যোজনা

দ্বিতীয় অধ্যায় ঃ

২.০ অসমীয়া ফকৰা-যোজনাত লোকবিশ্বাস

২.০১ ধৰ্মীয় লোকবিশ্বাস

২.০২ খাদ্য সম্পৰ্কীয় লোকবিশ্বাস

২.০৩ নাৰী সম্পৰ্কীয় লোকবিশ্বাস

২.০৪ পুৰুষ সম্পৰ্কীয় লোকবিশ্বাস

২.০৫ কৃষি সম্পৰ্কীয় লোকবিশ্বাস

২.০৬ প্ৰকৃতি সম্পৰ্কীয় লোকবিশ্বাস

২.০৭ জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস

তৃতীয় অধ্যায় ঃ

৩.০ অসমীয়া ফকৰা-যোজনাত সমাজ জীৱন

৩.০১ অৰ্থনৈতিক দিশ

৩.০২ সমাজ ব্যৱস্থা

৩.০৩ গ্ৰাম্য সমাজৰ কৰ্মজীৱন

চতুৰ্থ অধ্যায় ঃ

৪.০ অসমীয়া ফকৰা-যোজনাত পাৰিবাৰিক সম্পৰ্ক

৪.০১ ভাতৃ-ভগ্নী

৪.০২ মাহী-পেহী

৪.০৩ পতি-পত্নী

৪.০৪ পিতৃ-মাতৃ

৪.০৫ শাহু-বোৱাৰী

৪.০৬ সতিনী

৪.০৭ শাহু-জোৱাই

পঞ্চম অধ্যায় ঃ

৫.০ অসমীয়া ফকৰা-যোজনাৰ বৰ্তমান আৰু ভৱিষ্যত

উপসংহাৰ।

গ্ৰন্থপঞ্জী।

০.০ অৱতৰণিকা ঃ

০.১ বিষয়ৰ পৰিচয় ঃ

লোক সাহিত্যৰ এটা অন্যতম ভাগ হ'ল ফকৰা-যোজনা। এই ফকৰা-যোজনাবোৰে অসমীয়া লোক সাহিত্যলৈ বহুমুলীয়া অৱদান আগবঢ়াই আহিছে। এই ফকৰা-যোজনাবোৰে এটা কথা বুজাবৰ বাবে আন এটা কথাৰ লগতে তুলনা বা ৰিজনি দিয়া হয়। অতীতত ফকৰা শব্দটোৱে গোপন আৰু গভীৰ অৰ্থবোধক নিৰ্দিষ্ট সংখ্যক কথাকহে বুজাইছিল। এসময়ত মানুহে গোপনে বা ইঙ্গিতত কথা-বতৰা পাতিবলগীয়া হৈছিল। চোৰ ডকাইতৰ মাজতো এনে ইঙ্গিতময় ভাষাৰ প্ৰচলন আছিল। এনেকৈয়ে ইঙ্গিতত কথা-বতাৰ কওঁতে এটা নতুন ভাষাৰ জন্ম হয়। যিটো ভাষাৰে দেখা দেখিকৈ কথা-বতৰা পাতিলেও আনে বুজি নাপায়। বৈষ্ণৱ সকলৰ মাজতো সাধাৰণ ভাষাৰ পৰিবৰ্তে এক সুকীয়া ঠাঁচৰ ভাষাৰ ব্যৱহাৰ হৈছিল। যেনে গুৱা (তামোল-পাণ) চাউল-মুঠি (ভাত) এই ধৰণৰ ধৰ্মৰ গোপনীয়তা ৰক্ষাৰ ক্ষেত্ৰত কিছুমান কথাৰ প্ৰচলন হৈছিল। যিয়ে পৰবৰ্তী সময়ত ফকৰা-যোজনা হিচাপে পৰিগণিত হ'ল। এই ফকৰা-যোজনা সমূহ অসমীয়া ভাষাৰ সম্পদ। ফকৰা-যোজনাই এফালে ভাষা চহকী কৰে আৰু আনফালে সৌষ্ঠৱ বৃদ্ধি কৰে। কাৰণ ইয়াত একোটা সুকীয়া সুকীয়া অৰ্থ নিহিত থাকে। এই ফকৰা-যোজনাৰ মাজেৰেই প্ৰতিফলিত হয় এখন কৃষিজীৱী সহজ-সৰল সমাজ। কালৰ সোঁতত এই ফকৰা-যোজনা সমূহ হেৰাই যোৱাৰ উপক্ৰম হৈছে। প্ৰস্তাৱিত গৱেষণা কৰ্মটিৰ জৰিয়তে অসমীয়া ফকৰা-যোজনা সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

ক) অসমীয়া ফকৰা-যোজনাৰ পৰিচয় সম্পৰ্কে ধাৰণা আগবঢ়োৱা।

খ) অসমীয়া ফকৰা-যোজনাত প্ৰতিফলিত অসমীয়া সমাজ জীৱন বিচাৰ কৰা।

গ) ফকৰা-যোজনাৰ মাজেদি প্ৰকাশিত পাৰিবাৰিক সম্পৰ্কৰ বিষয়ে বিচাৰ বিশ্লেষণ কৰা।

ঘ) ফকৰা-যোজনাৰ প্ৰতিফলিত লোক বিশ্বাস সম্পৰ্কে অধ্যয়ন কৰা।

ঙ) ফকৰা-যোজনাৰ বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কে বিচাৰ কৰা।

০.৩ অধ্যয়নৰ গুৰুত্ব ঃ

ক) ফকৰা-যোজনাৰ মাজেৰে সমাজ জীৱনক বিচাৰ কৰাৰ প্ৰয়োজনীয়তা আছে।

খ) লোক বিশ্বাস সমূহৰ বিচাৰ বিশ্লেষণৰ গুৰুত্ব আছে।

গ) ফকৰা-যোজনাত প্ৰতিফলিত পাৰিবাৰিক সম্পৰ্ক সমূহক বিচাৰ কৰাৰ প্ৰয়োজনীয়তা আছে।

ঘ) বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কে অধ্যয়ন কৰাৰ গুৰুত্ব আছে।

০.৪ অধ্যয়নৰ পদ্ধতি ঃ

অসমীয়া ফকৰা-যোজনাৰ এক বিশ্লেষণ শীৰ্ষক বিষয়ৰ গৱেষণামূলক অধ্যয়নত বিশেষভাৱে বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব।

তথ্য আহৰণৰ উৎস ঃ

উক্ত বিষয়টি অধ্যয়ন কৰিবলৈ যাওঁতে তথ্য আহৰণৰ উৎস হিচাপে দুটা উৎসৰ সহায় লোৱা হৈছে।

ক) মুখ্য উৎস

খ) গৌণ উৎস

মুখ্য উৎস, হিচাপে ড০ চিত্ৰলেখা ফুকনৰ "অসমীয়া ফকৰা-যোজনা আৰু অসমীয়া সমাজ" আৰু জীৱন চন্দ্ৰ কোঁচৰ অসমীয়া ভাষাৰ অলংকাৰ ফকৰা-যোজনা এই কেইখন গ্ৰন্থৰ সহায় লোৱা হৈছে।

গৌণ উৎস হিচাপে অসমীয়া ফকৰা-যোজনা সম্পৰ্কীয় গ্ৰন্থ আৰু ইয়াৰ সম্পৰ্কে আলোচনা থকা প্ৰাসংগিক গ্ৰন্থ, আলোচনী, ইন্টাৰনেট আদিৰ সহায় লোৱা হৈছে।

০.৫ অধ্যয়নৰ পৰিসৰ ঃ

গৱেষণাৰ অধ্যয়নৰ পৰিসৰত ফকৰা-যোজনাৰ বিভিন্ন দিশ-লোক বিশ্বাস, সমাজ জীৱন, পাৰিবাৰিক সম্পৰ্কৰ বিষয়ে এটি সামগ্ৰীক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

অসমীয়া ফকৰা-যোজনাৰ এক বিশ্লেষণ শীৰ্ষক বিষয়টিৰ অধ্যয়নৰ বাবে পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাক তলত দিয়া ধৰণে দেখাব পাৰি।

ক) তাত্বিক

খ) বিষয়গত বা প্ৰায়োগিক

তাত্বিক ঃ

জীৱন চন্দ্ৰ কোঁচৰ অসমীয়া ভাষাৰ অলংকাৰ ফকৰা-যোজনা (১৯৯০) আৰু চিত্ৰলেখা ফুকনৰ ফকৰা-যোজনা আৰু অসমীয়া সমাজ (২০১৬)।

বিষয়গত ঃ

লীলা গগৈৰ অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা (২০০৮) নবীন চন্দ্ৰ শৰ্মা অসমৰ লোক সাহিত্য (২০১৮)

# প্ৰথম অধ্যায়

## অসমীয়া ফকৰা-যোজনাৰ পৰিচয়

## ১.০ অসমীয়া ফকৰা-যোজনাৰ পৰিচয় ঃ

পৰম্পৰাগতভাৱে জনসাধাৰণৰ মুখে মুখে প্ৰচলিত সাহিত্যই হ'ল লোক সাহিত্য। অনাখৰি কৃষক শ্ৰমিক, গৰখীয়া, নাৱৰীয়া, শিপিনী আদি বিভিন্ন শ্ৰমত লিপ্ত মানুহৰ গীত-মাত, সাধুকথা, ফকৰা-যোজনা, প্ৰবাদ প্ৰবচন আদি সমাহাৰকে কোৱা হয় লোক সাহিত্য। অসমীয়া জাতীয় জীৱনৰ পৰিচয় দাঙি ধৰিব পৰাকৈ অসমীয়া লোক সাহিত্যৰ ভঁৰাল বিভিন্ন উপকৰণেৰে ঠাহখাই আছে। অতীত, বৰ্তমান, ভৱিষ্যতৰ সীমাৰেখাৰে লোক সাহিত্য সীমিত নহয়। লোক সাহিত্য হ'ল সৰ্বসাধাৰণ মানুহৰ সুখ, দুখ, হৰ্ষ বিষাদ, প্ৰেম, বিৰহ, আবেগ অনুভূতি, অভিজ্ঞতা, প্ৰকৃতি আদিৰে পুষ্ট এক প্ৰকাশভংগী।

ফকৰা-যোজনা অসমীয়া ভাষাৰ এক আপুৰুগীয়া সম্পদ। অসমীয়া জনসমাজত ফকৰা-যোজনাৰ এক আদৰণীয় স্থান আছে। ফকৰা-যোজনাই অতি কম কথা আৰু কম সময়ৰ ভিতৰতে একোটা বিৰাট পৰিস্থিতি সামৰি ল'ব পৰা হেতুকে যি কোনো স্থান, কাল, পাত্ৰভেদে ইয়াক প্ৰয়োগ কৰিব পাৰি। অসমীয়া জনজীৱনৰ প্ৰতিটো দিশতেই ফকৰা-যোজনাই  আলোকপাত কৰিছে। স্বভাৱ-চৰিত্ৰ, ৰীতি-নীতি, ৰন্ধা-বঢ়া, খাৱন-শোৱন, চলন-ফুৰণ, কৃষি-বাণিজ্য, ধৰ্মৰ সকলো  দিশ সামৰি ফকৰা-যোজনাই অসমীয়া সমাজত এক বিশেষ স্থান অধিকাৰ কৰি আছে। ফকৰা-যোজনাক প্ৰধানত দুটা ভাগত ভাগ কৰা হৈছে। সাধাৰণ ফকৰা-যোজনা আৰু ভকতীয়া ফকৰা-যোজনা।

### ১.০১ সাধাৰণ ফকৰা-যোজনা ঃ

সাধাৰণ ফকৰা হৈছে ফকৰা-যোজনাৰ বিশেষ এটা শ্ৰেণী। সাধাৰণ-ফকৰা যোজনাবোৰ বুজিবলৈ কিছু সহজ। এসময়ত মানুহে গোপনে বা ইঙ্গিতত কথা-বতাৰ পাতিছিল। চোৰ-ডকাইতৰ মাজতো এনে ইঙ্গিতময় ভাষাৰ প্ৰচনল আছে। যিটো ভাষাৰে দেখা দেখিকৈ কথা পাতিলেও আনে নুবুজে। বিশেষকৈ খোৱা সম্পৰ্কত নিষেধাজ্ঞা থকা বস্তু বোৰৰ ক্ষেত্ৰত এনেকুৱা ভাষাৰ প্ৰয়োগ দেখা যায়। যেনে- নুকনুকী পহু (গাহৰি) ৰামপাৰ (কুকুৰা) পুখুৰীপৰীয়া গোবিন্দাই (কুচিয়া) ইত্যাদি। উচ্চ হিন্দুৱে শিঙি, শিঙৰা আদি মাছ খাব নেপায় বুলি গণ্য কৰা আৰু বাহী গাৰে খোৱা সামগ্ৰী নোচোৱে। এনেবিলাক বিষয়ে আঁত ধৰিও ফকৰা-যোজনা আছে। উদাহৰণ স্বৰূপে -

এনেয়ে শিঙিমাছ

তাতে বাহী গাৰে পোৰা

১.০২ ভকতীয়া ফকৰা-যোজনা ঃ

ভকতীয়া ফকৰা-যোজনা হৈছে বিশেষ এটা শ্ৰেণী। বৈষ্ণৱসকলৰ মাজত সাধাৰণ ভাষাৰ পৰিবৰ্তে এক সুকীয়া ঠাঁচৰ ভাষা ব্যৱহৃত হৈছিল। সেই সময়ৰ অৰ্থ বুজি পাবলৈ কিছু কঠিন। যেনে ভোজনঠেলা (জলকীয়া) গুৱা (তামোল-পাণ) চাউলমুঠি (ভাত) এইদৰেই ধৰ্মৰ গোপনীয়তা ৰক্ষাৰ বাবে কিছুমান ফকৰা-যোজনা ব্যৱহাৰ কৰা হৈছিল। আৰু সেই ফকৰা-যোজনাবোৰে আজিও অৰ্থৰ গোপনীয়তা ৰক্ষা কৰি আহিছে। গুৰুমুখে জ্ঞান লাভ নকৰিলে আজিও তাৰ অৰ্থ বিচাৰি উলিওৱা কঠিন উদাহৰণস্বৰূপে -

ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা

ৰুদ্ৰক নিদিবা ঠাই

মহা মহা মহন্তক মৰিয়াই মাৰিবা

তহে ভকতি পাই।

ইয়াত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ হ'ল - সত্ব, ৰজঃ আৰু তমঃ মহা মহা মহন্ত হ'ল মানুহৰ ৰিপু সমূহ। গতিকে ইয়াৰ গভীৰ অৰ্থ বুজি পোৱা টান।

# দ্বিতীয় অধ্যায়

# অসমীয়া ফকৰা-যোজনাত লোকবিশ্বাস

২.০ অসমীয়া ফকৰা-যোজনাত লোকবিশ্বাস ঃ

লোকবিশ্বাস হৈছে পৰম্পৰাগতভাৱে প্ৰচলিত কিছুমান আচাৰ-আচৰণ আৰু ধ্যান-ধাৰণা সমাজত মানুহৰ বিভিন্ন কৰ্মৰ সৈতে জড়িত শুভ-অশুভ ধাৰণাবোৰেই লোকবিশ্বাস। লোক বিশ্বাস সমূহ পুৰুষানুক্ৰমে চলি আহিছে। লোক বিশ্বাসসমূহৰ যথাযথ অধ্যয়নৰ জৰিয়তে কোনো এটা জাতিৰ মৌলিকতা আৰু সংস্কৃতিৰ গভীৰতা জুখি চাব পাৰি। অসমীয়া ফকৰা-যোজনা সমূহৰ মাজত লোক-বিশ্বাসৰ এখনি সুন্দৰ ছবি প্ৰতিফলিত হোৱা দেখা যায়।

অসমীয়া ফকৰা-যোজনা সমূহত ভাগ্য, কাৰ্মফল, খাদ্য, স্ত্ৰী-পুৰুষৰ, লক্ষণ, দৈনন্দিন ব্যৱহাৰ ৰ সা-সজুলি, পশু-পক্ষী, খেতি-বাতি আদি অসমীয়া লোক-জীৱনৰ বিবিধ বিষয় সম্পৰ্কীয় বিশ্বাসে স্থান লাভ কৰা দেখা যায়। উদাহৰণস্বৰূপে -

আহু চাবা গধূলি, শালি চাবা পুৱা
জাগৈ বাওঁতে ছোৱালী চাবা
কোন কেনেকুৱা।।

গধূলি আৰু পুৱা চাই যেনেকৈ আহু আৰু শালিধানৰ গুণাগুণ নিৰ্ণয় কৰিব পাৰি। ঠিক সেইদৰে জাকৈ বাওঁতে ছোৱালীজনীৰ কৰ্ম নিপুণতা চোৱা হয়। মাছ ধৰাৰ কৌশল কেনেকুৱা পাৰ্গত হয় নে নহয়। সেই বিষয়ে চোৱা হয়।

ৰাইজে জয় বুলিলেই জয়
ক্ষয় বুলিলেই ক্ষয়।।

অসমীয়া সমাজত সমূহীয়া শক্তিৰ গুৰুত্ব বৰ বেছি। ৰাইজে যিটো কথা সঁচা বুলি ক'ব তাক নুই কৰিব নোৱাৰি। ৰাইজে ভাল বুলিলেই ভাল। বেয়া বুলিলেই বেয়া। এনেধৰণৰ ফকৰা-যোজনাৰ মাজেদি অসমীয়া লোক সমাজৰ মাজত প্ৰচলিত হৈ থকা ভিন্ন লোক বিশ্বাসৰ সম্ভেদ পোৱা যায়।

২.০১ ধৰ্মীয় লোকবিশ্বাস ঃ

ভাগ্যক যেনেদৰে একান্তভাৱে বিশ্বাস কৰে ঠিক তেনেদৰে ধৰ্মকো অসমীয়ালোকে একান্ত গভীৰ ভাৱে বিশ্বাস কৰে। কোনোবাই গড বুলি, ভগৱান, মহাদেৱ, আল্লা বুলি ঈশ্বৰক মানি আহিছে। এই ফকৰা-যোজনাবোৰৰ মাজত বিভিন্ন দেৱ-দেৱতাৰ বিষয়ে থকা বিশ্বাস আৰু ধৈৰ্য্য সম্পৰ্কে থকা বিশ্বাসৰ আভাস পাব পাৰি।

ঈশ্বৰে যাক চকুমেলি চায়
তাক নেলাগে কাৰো সহায়।।

সুখৰ দিনত ঈশ্বৰক পাহৰি থাকিলেও। বিপদৰ সময়ত ঈশ্বৰক সঘনে স্মৰণ কৰা যায়। যিজনক ঈশ্বৰে কৰুণা কৰে, কৃপাদৃষ্টিৰে চায়। সেইজনক আনৰ সহায়ৰ প্ৰয়োজন নহয় বুলি এনে বিশ্বাস অসমীয়া লোক সমাজত অতীজৰে পৰা চলি আহিছে।

'হৰিয়ে নেৰাখিলে কি জৰীয়ে ৰাখিব'।।

(জনপ্ৰচলিত)

যিকোনো বিপদ-বিঘিনিৰ পৰা ভগৱানে উদ্ধাৰ নকৰিলে অন্য শক্তিয়ে ৰক্ষা কৰিব নোৱাৰে বুলি অসমীয়া লোক সমাজত বিশ্বাস কৰে। গতিকে যি কোনো বিপদত ভগৱানৰ নাম শ্ৰেষ্ঠ।

২.০২ খাদ্য সৰ্ম্পকীয় লোক বিশ্বাস ঃ

অসমীয়া খাদ্য প্ৰণালী বৈচিত্ৰ্যময়। ভাতেই অসমীয়া মানুহৰ প্ৰধান আহাৰ। ইয়াৰ লগত খৰিচা, পানীটেঙা, ঔটেঙা, ঢেকীয়া, খুতৰা, এইবোৰ অসমীয়া মানুহৰ খাদ্য সম্ভাৰৰ ভিতৰত উল্লেখনীয় কেনেদৰে খাব লাগে। কি মাহত কি খাব নালাগে তাৰ দিহা পৰামৰ্শ এই ফকৰা-যোজনা (খোৱাৰ নিয়ম আছে। এই কৰ্কৰা ভাত পুহৰ সংক্ৰান্তিৰ দিনা ৰান্ধি থৈ মাঘৰ প্ৰথম তাৰিখত খোৱা হয়। এইদৰে কৰ্কৰা ভাত খালে, বাঘৰ সমান বল হয় বুলি বিশ্বাস কৰা দেখা যায়।

পুহত ৰান্ধি মাঘত খায়

বাঘৰ সমান বল পায়।

কোনে মাহত কি বস্তু খাব লাগে সেই বিষয়েও অসমীয়া ফকৰা-যোজনাবোৰত দিয়া আছে।

পুহমহীয়া কল, মাঘমহীয়া জল

ইয়াকে খালে হয় সাত ভতৰাৰ বল।

ভাত খাই উঠি অসমীয়ালোকে তামোল-পাণ, শিলিখা আদিৰে মুখ শুদ্ধি কৰে। ভাত খাই উঠি তিনিটা শিলিখা খালে, খাওঁতাজনক ৰোগ ব্যধিয়ে আক্ৰমণ কৰিব নোৱাৰে বুলি লোকবিশ্বাস প্ৰচলিত আছে।

ভাত খাই উঠি তিনি শিলিখা

তাৰ মাজত ৰোগ টিলিকা।।

(জনপ্ৰচলিত)

২.০৩ নাৰী সমন্বীয় লোক বিশ্বাস ঃ

অসমীয়া লোক সাহিত্যৰ বেছিভাগ সমলেই নাৰীৰ লগত জড়িত আৰু নাৰী সমাজৰ মাজত প্ৰচলিত বিয়া নাম, আইনাম, লখিমী সবাহৰ গীত, ভেকুলী বিয়া এই সকলোবোৰ নাৰী সমাজত প্ৰচলিত। অসমীয়া লোক সমাজত নাৰীৰ লক্ষণ সম্পৰ্কীয় বহুতো ফকৰা-যোজনা প্ৰচলিত হৈ আছে। লোক-বিশ্বাস অনুযায়ী তিৰোতাৰ গাত থকা লক্ষণৰ ভিত্তিত সু-নাৰী, কু-নাৰী নিৰ্ণয় কৰিব পাৰি।

অতি বৰ ঘৰিণী নেপায় ঘৰ

অতি বৰ সুন্দৰী নেপায় বৰ।।

তিৰোতাৰ ক্ষেত্ৰত অতি দক্ষতা তথা অতি সৌন্দৰ্যহিতে বিপৰীত হোৱা ধৰণে বিশ্বাস ভালে সংখ্যক ফকৰা-যোজনাৰ মাজেৰে প্ৰকাশ পাইছে। যিমান ধুনীয়া সিমান

ঘুণীয়া। এই একে ধৰণেৰেই কেতিয়াবা কোৰা হয়। অতি কাজীৰ নাই ঘৰ বুলি।

সতিনী ৰহীয়া গৈ
এবেলা হুহুবায় এবেলা কন্দুৱায়
পথালি কোলাত লৈ।।

নাৰীৰ বাবে এটা দুভাগ্যজনক সম্পৰ্ক হ'ল সতিনী, এজন ব্যক্তিৰ এগৰাকীতকৈ বেছি পত্নি থাকিলে। এজনী আনজনীৰ সতিনী আৰু সেই সতিনী কেতিয়াও ভাল হ'ব নোৱাৰে। এজনীৰ আনজনীৰ প্ৰতি সদায় খাম-খেয়ালি, ঈষা-অসূয়া থাকিবই।

২.০৪ পুৰুষ সৰ্ম্পকীয় লোক বিশ্বাস ঃ

অসমীয়া ফকৰা-যোজনাত নাৰী সম্পৰ্কীয় অনেক লোক বিশ্বাস থকাৰ দৰে পুৰুষ সম্পৰ্কীয় লোক বিশ্বাসো অসমীয়া লোক সমাজত প্ৰচলিত আছে। তাঙ্গ-প্ৰতঙ্গৰ জাৰত ভিত্তি কৰিও বহু লোক বিশ্বাসৰ জন্ম হয়। পুৰুষৰ চুলিবোৰ কেকোঁৰা হ'লে সু-পুৰুষৰ হয়, পিতল চকুৰা পুৰুষ। ভাগ্যৱান, কপালত ৰেখা স্পষ্ট হ'লে খঙাল হয়। এনে বহুতো লোক-বিশ্বাস পুৰুষৰ ক্ষেত্ৰত দেখা যায়।

পুৰুষ অতি ভোমোৰা জাতি
তিতা বাহকতো খপে ৰাতি।।

পুৰুষ জাতিটোক কেতিয়াবা ভোমোৰা বুলি অভিহিত কৰা হয়। ভোমোৰাই যেনেদৰে তিতা-মিঠা বাচ-বিচাৰ নকৰি সকলো ফুলতেই পৰে পুৰুষেও তিৰোতাৰ ভাল-বেয়া বিচাৰ নকৰে।

কি কৈ মৰিলো কিহত
দুহাতে দুমুঠি কাঁহৰ খাৰু পাইছো
এতিয়া নিয়াটোৰ জহত।।

নাৰীৰ সদায় অলংকাৰ প্ৰিয়। বিভিন্ন ধৰণৰ অলংকাৰেৰে নিজক সজাই নাৰীয়ে আমোদ পায়। টকা থকা ধনী মানুহে বেছি দামী সোণৰ, হীৰাৰ অলংকাৰ পিন্ধিব। টকা নথকা দুখীয়া লোকৰ বাবে কাঁহ-পিতলৰ অলংকাৰেই যথেষ্ট। নাৰীৰ মানত গিৰীয়েকে অলংকাৰ পাতি দিলেই সেইজন গিৰীয়েক ভাল হৈ পৰে।

২.০৫ কৃষি সম্পৰ্কীয় লোক বিশ্বাস ঃ

অসম এখন কৃষি প্ৰধান ৰাজ্য। অসমৰ অধিক সংখ্যক লোকেই কৃষি কৰ্মৰ লগত জড়িত। গতিকে খেতি কৰাৰ নিয়ম, কোন সময়ত কি খেতি কৰিলে ভাল হয়। এনেধৰণৰ বিশ্বাস ফকৰা-যোজনা মাজতো দেখিবলৈ পোৱা যায়।

শস্য অধিক পাবৰ বাবে শালি খেতিত পানীৰ আৱশ্যক। কঠীয়া ৰোৱাৰ সময়ত পথাৰত পানী থকাটো অত্যাৱশ্যকীয় তদুপৰি শস্য চপোৱা আগলৈকে পথাৰত পানী থাকিলে শস্য অধিক ভাল হয় বুলি বিশ্বাস কৰা হয়। সেই বাবেই ৰজাই ৰাণীক ভালকৈ ৰখাৰ দৰে পথাৰতো পানী ৰাখিবলৈ ফকৰা-যোজনাবোৰত পোৱা যায়। উদাহৰণস্বৰূপে -

আহিন কাতি ৰাখিবা পানী
ৰজাই যেনেকৈ ৰাখে ৰাণী।। (জনপ্ৰচলিত)

অসমীয়া কৃষকে কৰা অন্যটো খেতি হ'ল কুঁহিয়াৰ খেতি। এই কুঁহিয়াৰ খেতি কৰাটো ইমান সহজ নহয়। কষ্ট সাধ্য কাম। এই খেতিৰ আৰম্ভণিৰ পৰা কুঁহিয়াৰ পেৰি গুড় তৈয়াৰ কৰালৈকে বহু পৰিশ্ৰম হয় বাবে বহুত মানুহৰ প্ৰয়োজন হয়। এজন বা দুজন মানুহে কুঁহিয়াৰ খেতি কৰিবলৈ কষ্ট হয় বা নোৱাৰে বুলি বিশ্বাস কৰা হয়। যাৰঘৰত সৰহ মানুহ তেওঁ ঘৰতেই কুঁহিয়াৰ খেতি ফলপ্ৰসূ হয় বুলি ভবা হয়। সেয়েহে-

ছয়পো বাৰ নাতি যাৰ
কুঁহিয়াৰ খেতি তাৰ।।

২.০৬ প্ৰকৃতি সম্পৰ্কীয় লোক বিশ্বাস ঃ

অতীজতে মানুহে প্ৰকৃতিৰ বিভিন্ন শক্তিবোৰৰ বাখ্যা বিচাৰি নেপাই সকলোৰে একোটা শক্তি দেৱতা থকা বুলি ধৰি লৈ পূজা-পাতল দিছিল। আজিৰ অত্যাধুনিক বৈজ্ঞানিক যুগতো প্ৰকৃতিৰ কাৰ্য্যাৱলীক নিৰীক্ষণ কৰি মানুহে কিছুমান বাখ্যা দাঙি ধৰে। বৰ্ষা ঋতুৰ আগে-পিছে অহা ধুমুহা বতাহক বৰদৈচিলা মাকৰ ঘৰলৈ গৈছে অথবা মাকৰ ঘৰৰ পৰা ঘূৰি আহিছে বুলি ভাবি ক্ষন্তেক জিৰাবলৈ পদূলিৰ মূৰত আচী-ফণী উলিয়াই দিয়া পৰম্পৰাগত ভাৱে দেখা যায়। ভূমিকম্প আহিলে উৰুলি দিয়া, পপীয়া তৰা দেখিলে চুলি মেলি জোকাৰি দিলে চুলি দীঘল হয় বুলি বিশ্বাস কৰা এনেধৰণৰ প্ৰকৃতি বিষয়ক অনেক লোক-বিশ্বাস অসমীয়া সমাজত আগৰ পৰাই প্ৰচলিত হৈ আহিছে। উদাহৰণ স্বৰূপে -

উত্তৰে গাজিলে জানিবা খৰ
দক্ষিণে গাজিলে মাৰিবা ল'ৰ
পূৱে গাজিলে উৰায় পচোৱাই
পশ্চিমে গাজিলে ভেঁটি তল যায়।।

উত্তৰে গাজিলে খৰ মৰাৰ দৰে দক্ষিণে গাজিলে তৎক্ষণাৎ বৰষুণ আহিব বাবে ল'ৰ মাৰিব লাগে। সেইদৰে পূৱে গাজিলে বতাহে বৰুযুণক বেলেগ ফাললৈ লৈ যায়গৈ আৰু পশ্চিমে ঘৰৰ ভেঁটি তল যোৱাকৈ ডাঙৰ বৰষুণ আনে।

যদি নাই আঘোণত
তেতিয়া নহয় কঁঠালৰ সৃষ্টি।।

আঘোণত বৰষুণ হ'লেহে কঁঠালৰ উৎপাদন ভাল হয় বুলি বিশ্বাস অসমীয়া সমাজত কৰা দেখা যায়।

২.০৭ জীৱ-জন্তু সম্পৰ্কীয় লোক বিশ্বাস ঃ

জীৱ-জন্তু সম্পৰ্কীয় লোক-বিশ্বাস অসমীয়া সমাজত অনেক আছে। অসমত গৰুৰ যথেষ্ট গুৰুত্ব আছে। গৰুৰ বাদেও অসমীয়া সমাজত ছাগলী, পাৰ, কুকুৰ, মেকুৰী ইত্যাদি ঘৰচীয়া জীৱ-জন্তুবোৰৰ লগতে বনৰীয়া পশু-পক্ষীৰ লক্ষণ, গতিবিধি, মাত-বোলক, লক্ষ্য কৰি অসমীয়া সমাজত বহুতো লোক-বিশ্বাস আছে। যেনে ফেঁচাই উৰুলি দিলে কাৰোবাৰ আসন্ন বিয়াৰ কথা সূচায়। কুকুৰে দীঘলীয়াকৈ বিনালে, মেকুৰীয়ে কাজিয়া কৰিলে ঘৰৰ অমংগল হয় বুলি লোক সমাজত বিশ্বাস কৰে।

গৰু গাইক এখন ঘৰৰ লক্ষ্মীস্বৰূপ বুলি গণ্য কৰা হয়। কৃষক সকলৰ গৰু হালেই আচল সাহস। ধান-খেতিকে মুখ্য কৰি বছৰটোৰ বিভিন্ন খেতি কৰিবলৈ মাটি চহাবলৈ, গৰু হালৰ সততে আৱশ্যক হয়। ইয়াকে নহ'লে আনৰ হাতে-ভৰিয়ে ধৰি থাকিব লগা হয়। গৰু নোহোৱা কথাটো গৃহস্থৰ বাবে হীনতাৰ কাৰক স্বৰূপ হিচাপে বিশ্বাস কৰা হয়। উদাহৰণস্বৰূপে-

যাৰ নাই গৰু
সি সবাতোকৈ সৰু।। (জনপ্ৰচলিত)

জীৱ-জন্তুৰ মাতৰ ওপৰত নিৰ্ভৰ কৰিও অনেক লোক-বিশ্বাস আছে। যেনেদৰে কাউৰীয়ে ৰমলীয়ালে আলহী আহে, ফেঁচা চৰাইয়ে নিউ নিউকৈ চিঞৰিলে ঘৰৰ কাৰোবাৰ আসন্ন মৃত্যু কথাৰ ইংগিত দিয়ে। বাঁহগছ সাধাৰণতে নফুলে। যেতিয়া বাঁহগছ ফুলে তেতিয়া অকাল দুৰ্ভিক্ষয়ে দেখা দিয়ে বুলি অসমীয়া সমাজত বিশ্বাস কৰা।

ডাকে ফেঁচা ফুলে বাঁহ
গিৰী নিজেয়ে ছয় মাহ।।

# তৃতীয় অধ্যায়

# অসমীয়া ফকৰা-যোজনাত সমাজ জীৱন

৩.০ অসমীয়া ফকৰা-যোজনাত সমাজ জীৱন ঃ

অসমীয়া ফকৰা-যোজনাত সমাজ-জীৱন সুন্দৰ ভাৱে প্ৰকাশ ঘটিছে। এই ফকৰা-যোজনাৰ জৰিয়তে আমি সমাজৰ বিভিন্ন দিশ, মানুহৰ আচৰণ, বিশ্বাস, শিক্ষা আদিৰ বিষয়ে বহু কথা জানিব পাৰো। অসমীয়া সমাজত ফকৰা-যোজনাৰ ব্যাপক ব্যৱহাৰ দেখা যায়। যাৰ ফলত এই ফকৰা-যোজনাবোৰ সমাজ-জীৱনত এক বিশেষ স্থান অধিকাৰ কৰিছে। এই ফকৰা-যোজনাত সদায় দয়া, সহানুভুতি, ক্ষমাশীলতা, আদি গুণবোৰৰ প্ৰকাশ দেখা যায়। ইয়াৰ উপৰিও সমাজত কৰ্মশীলতা গুৰুত্ব বুজাৰ বাবেও ফকৰা-যোজনাৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে -

কঠিন কামৰ ফল মধুৰ হয়। সমাজৰ নীতি নিয়মৰ ক্ষেত্ৰত বা মানুহৰ আচৰণ বিষয়তেওঁ এই ফকৰা-যোজনাই সমাজ জীৱনৰ বিভিন্ন দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাধাৰণ অসমীয়া মানুহৰ জীৱনৰ প্ৰতি থকা গভীৰ আস্থা, দৃষ্টিভংগী আৰু বোধৰ গভীৰ প্ৰকাশ দেখা যায়। এই ফকৰা-যোজনা সমূহ অসমীয়া জাতিৰ বিশ্বাস, জাতিসত্তা, বুৰঞ্জীৰ উৎকৃষ্ট সমল। এই ফকৰা-যোজনা সমূহ পুৰণি হ'লেও যথেষ্ট সংখ্যক ইয়াৰ প্ৰাসংগিকতা আজিও অটুত আছে। এই সমূহ সাধাৰণতে গঞা ৰাইজে বুজি পাবৰ কাৰণে সৰল ভাষা ব্যৱহাৰ কৰি আকৰ্ষণীয় ৰূপত প্ৰকাশ কৰা হয়।

৩.১ অৰ্থনৈতিক দিশ ঃ

সমাজৰ লগত অৰ্থনৈতিক অৱস্থাটোও জড়িত হৈ আছে। এই ফকৰা-যোজনাসমূহ বৰ্তমানৰ সৃষ্টি নহয়। এনে লোক সাহিত্যৰ সমলবোৰ সৃষ্টি হোৱাৰ সময়ত অসম আৰ্থিক ভাৱে দুৰ্বল আছিল। সেয়ে হয়তো ফকৰা-যোজনা বোৰত দৰিদ্ৰতাগ্ৰস্ত সমাজৰ চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। উদাহৰণস্বৰূপে -

ধাৰ কৰা ধনেৰে চৰ্তৰ বিহু খাঁও
ধৰুৱাই নিয়ে যদি আগে আগে যাওঁ।

বিহু অসমীয়াৰ প্ৰাণ তিনিটা বছৰ ভিতৰত বহাগ বিহু বেচি আপোন, টকা-পইচা, ধান-চাউল থকা লোকে বৰ উলাহৰে চ'ততে বিহু পাতে। কিন্তু নথকাই আনৰ পৰা ধাৰ কৰি আনি হলেও বিহু পাতিব বিচাৰে। সেইবাবে এই কথাৰ নিদৰ্শন অসমীয়া ফকৰা-যোজনাবোৰত পোৱা যায়। ব্যৱসায় বাণিজ্য কৰিয়েই অসমীয়ালোকে উপাৰ্জন কৰি পৰিয়াল সুন্দৰভাৱে চলাই আছে। পূৰ্বতে সদাগৰসকলে বছৰ বছৰ ধৰি ব্যৱসায় বাণিজ্য কৰিবৰ বাবে বিদেশত ঘূৰি ফুৰিছিল। এই কথাও অসমীয়া ফকৰা-যোজনাবোৰত কিছু-পৰিমাণে হ'লেও ব্যৱসায় বাণিজ্যৰ কথা ভুমুকি মাৰা দেখিবলৈ পোৱা যায়।

তিনিশ ষাঠিজোপা ৰুৱা কল
মাহেকে পষেকে চিকুনাবা তল
পাত-পচলা লাভতে খাবা
লংকাৰ বনিজ হাততে পাবা।।

পূৰ্বতে যিদৰে সদাগৰে দূৰণিলৈ বাণিজ্য কৰিবলৈ গৈছিল অধিক লাভৰ বাবে। বৰ্তমানেও তেনে কৰা দেখা যায়। কিন্তু কেতিয়াবা দূৰণিলৈ গৈ বাণিজ্য কৰাতকৈ ঘৰতে থাকি নিজে খেতি কৰিলে বেছি লাভ পোৱা যায়। এই কথা অসমীয়া ফকৰা-যোজনাবোৰৰ মাজত এনেদৰেই পোৱা যায়।

৩.২ সমাজ ব্যৱস্থা ঃ

অসমীয়া সমাজত ৰাইজক প্ৰধান্য বেছিকৈ দিয়ে। সেয়েহে ৰাইজৰ ৰাইয়ে আইন। ৰাইজৰ শক্তিয়ে যে ডাঙৰ শক্তি সেই কথা অসমীয়া ফকৰা-যোজনাবোৰত পোৱা যায় এনেদৰে-

"ৰাইজে চোৰ বুলিলে মেধিও চোৰ"।

অসমীয়া সমাজত বিশেষকৈ গাওঁবোৰত কাজিয়া পেচাল হ'লে গাঁৰতেই সমজুৱাভাৱে মীমাংসা কৰি দিয়ে যেনে -

মেলৰ বল সাক্ষী
চৰাইৰ বল পাখি।।

অসমীয়া লোকমানসত সমাজৰ ইমান গুৰুত্ব ইমানেই যে য'ত তিনিজন মানুহ থাকে। তাতেই ভগৱান বিৰাজমান বুলি ভবা হয়। কাৰণ এজন দুজনে মিছা মাতিলেও তিনিজনে মিছা মাতিব নোৱাৰে। য'তে সত্য থাকে তাতে ভগৱান থাকে। সেই কথাও ফকৰা যোজনাত পোৱা যায় যেনে-

তিনিজন য'ত, নিৰঞ্জন ত'ত। (জন প্ৰচলিত)

সামূহিক নিৰ্ণয়ত গুৰুত্ব প্ৰদানৰ লগতে এনে নিৰ্ণয়ৰ পৰা হ'ব পৰা বেমেজালি সম্পৰ্কতো অসমীয়া লোক মানস সজাগ থকাৰ নিদৰ্শনা অসমীয়া ফকৰা-যোজনাবোৰত পোৱা যায় কেতিয়াবা ৰাজহুৱা ভাৱে কৰা কাম ভাল নহয়। সমাজত গোট খোৱা প্ৰতিজন মানুহে সিজনলৈ ঠেলি ঠেলি দিয়ে বা কাম ভাল হৈ নুঠৈগে সেয়েহে কোৱা হয়।

ৰাজহুৱা কথাই ফটাজালে সমান।

৩.৩ গ্ৰাম্য সমাজৰ কৰ্মজীৱন ঃ

গ্ৰাম্য সমাজত কৰ্মজীৱনে এক বিশেষ পৰিৱেশ সৃষ্টি কৰে। য'ত মানুহে পৰস্পৰ সহযোগিতা আৰু নিৰ্ভৰশীলতাৰ মাজেৰে জীৱন-যাপন কৰে। ইয়াৰ ক্ষেত্ৰত মানুহৰ জীৱন ধাৰণৰ পদ্ধতি প্ৰাকৃতিক পৰিৱেশৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। অসমীয়া লোকৰ ধান খেতি মূল যদিও ইয়াৰ লগতে বিবিধ ফল-মূল, শাক-পাচলি, তামোল-পাণ, মাহ-সৰিয়হ আদিৰ খেতিও কৰে। এইবোৰ খেতি কৰাত দিয়া ফকৰা-যোজনাবোৰ আছে যেনে-

লাগে তামোল নালাগে
নালাগে তামোল লাগে।।

তামোল গছ ৰোওঁতে ছয় হাত দূৰ দূৰে ৰুব লাগে। ইজোপা গছৰ পাতৰ লগত সিজোপা গছৰ পাত লাগি থাকিলে তামোল বেছি নালাগে। পাতে পাতে লাগি থাকিলে তামোল বেছি নালাগে।

প্ৰকৃতিৰ সৈতে মানুহৰ চিৰন্তন সংগ্ৰাম, বন্য জীৱ-জন্তু, চৰাই চিৰিকটি আদিৰ সৈতে গঢ় লৈ উঠা আন্তৰিক সম্পৰ্ক বতৰ আৰু জলবায়ুৰ পৰিবৰ্তন প্ৰকৃতি আৰু ঋতু পৰিবৰ্তনে গ্ৰাম্য সমাজৰ কৰ্মজীৱনত প্ৰভাৱ পেলায়। সমাজৰ অভিজ্ঞতা, জ্ঞানৰ গভীৰতা গ্ৰাম্য জীৱনশৈলীৰ বিচিত্ৰ্য আৰু স্বকীয়তা সমৃদ্ধ কৰা ফকৰা-যোজনা সমূহত অসমীয়া গ্ৰাম্য সমাজৰ সৰল প্ৰকাশভংগী দেখা যায়। এই ফকৰা-যোজনাবোৰত ব্যৱহৃত শব্দাৱলী আছিল অতি শুৱলা আৰু নিভাজঁ।

# চতুৰ্থ অধ্যায়

# অসমীয়া ফকৰা-যোজনাত পাৰিবাৰিক সম্পৰ্ক

৪.০ অসমীয়া ফকৰা-যোজনাত পাৰিবাৰিক সম্পৰ্ক ঃ

সমাজৰ প্ৰাথমিক গোট হ'ল পৰিয়াল। আদিম অৱস্থাত গুহাবাসী হৈ থাকোতে একেলগে বসবাস কৰিছিল মানুহে। লাহে লাহে এই সভ্যতাৰ বিকাশ হৈ পৰিয়াল পাতি বাস কৰিবলৈ শিকিলে আৰু তাৰ পৰাই পাৰিবাৰিক সম্পৰ্কবোৰৰ সৃষ্টি হ'ল। পিতৃ-মাতৃ, ভাই-ভনী, দাদা-বৌ ইত্যাদি সম্পৰ্কবোৰ গঢ়ি উঠিল। অসমীয়া ফকৰা-যোজনাৰ মাজেৰে আত্ম প্ৰকাশ কৰা পাৰিবাৰিক সমন্ধসমূহে অসমীয়া লোক সমাজ কি দৰে প্ৰতিনিধিত্ব কৰিছে তাৰ এটি আভাষ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

৪.০১ ভাতৃ-ভগ্নী ঃ

পাৰিবাৰিক সম্পৰ্কৰ ভিতৰত ভাই-ভনীৰ সম্পৰ্ক অতি স্পৰ্শকাতৰ। মাক-দেউতাকৰ পাছতে এনেবোৰ সম্পৰ্কক স্থান দিব পাৰি। ককাই-ভাই, বাই-ভনীৰ লগত কাজিয়া কৰিলেও সেয়া ক্ষন্তেকিয়া তেওঁলোকৰ মাজত থকা মৰম-চেনেহ বিপদৰ সময়তেই হওক বা যিকোনো সময়তে দেখা যায়। অসমীয়া ফকৰা-যোজনা সমূহত ককাই-ভাই, বাই-ভনীৰ মিত্ৰতা, শত্ৰুতাৰ কথা এনেদৰে পোৱা যায়। উদাহৰণস্বৰূপে-

ভাই ভাই ঠাই ঠাই ভাইৰ সমান মিত্ৰ নাই
ভাইৰ মান শত্ৰু নাই। ভাই হেন বন্দু পাবলৈ নাই।।

ককাই-ভাই, বাই-ভনীৰ মাজত বিয়া-বাৰু কৰোৱাৰ আগলৈকে অফুৰন্ত মৰম, আদৰ থাকে। কিন্তু বিয়া বাৰু কৰোবাৰ পিছত মৰম-চেনেহ, গুৰুত্ব কমি যায়। এই কথা অসমীয়া ফকৰা-যোজনা সমূহৰ মাজত পোৱা যায় এনেদৰে -

বাই-ভনী খেৰৰ শনি
ভাৰ্য্য হ'ল গলৰ মণি।।

৪.০২ মাহী-পেহী ঃ

মাকৰ-ভনীয়েক মাহী আৰু দেউতাৰ ভনীয়েক পেহী। পেহীয়েক বেছি আপোন হোৱাৰ  হোৱা দেখা যায়। অসমীয়া ফকৰা-যোজনাত পেহী-মাহীৰ কথা এনে ধৰণে পোৱা যায়।

পিতাৰ ভনীয়েক পেহী, সেইটো বকুৰ দেহী
আইৰ ভনীয়েক মাহী, দাঁত চেলাই হাঁহি।।

বিয়া বাৰুৰ পাছত মিতিৰ কুটুমৰ সংখ্যা বাঢ়ি যায়। এখন গাঁও জুৰি পেহী-মাহীৰ সম্পৰ্ক গঢ়ি উঠিব পাৰে বুলি অসমীয়া ফকৰা-যোজনা সমূহত এনেদৰে পোৱা যায়।

মাহী আৰু পেহী আছে
জুৰি আছে ঘাঁহ
আই নাই দেখি আজি
লঘোণে যাওঁ।।

৪.০৩ পতি-পত্নী ঃ

ঘৰৰ মূল হৈছে পতি-পত্নী। পতিৰ ছায়াতে পত্নী অথবা ঘৰৰ বাকী সদস্য সকলে নিশ্চিন্তমনে বসবাস কৰে। পতি-পত্নীৰ মাজত কোনো ধৰণৰ গুপনীয়তা নাথাকে অসমীয়া ফকৰা-যোজনা সমূহৰ মাজত এনেবোৰ কথাৰো উত্থান পোৱা যায়। যেনে-

ঘৰ ঘৈণী ল'ৰাৰ মাক
তোমাক নুসুধি সুধিম কাক।।

অসমীয়া নাৰীয়ে তাঁত ব'ব জানে। তাঁতৰ জৰিয়তে নিজৰ যাৱতীয় কাপোৰ তৈয়াৰ কৰি ল'ব পাৰে। ভাল ধৰণে তাঁত ব'ব জনা, তাঁতত ফুল তুলিব জনা তিৰোতাক কাজী তিৰোতা বোলা হয়। কাজী বুলি যেতিয়া শলাগে এনেও ভাল লাগে, তাতে পতিৰ পৰা পোৱা প্ৰশংসা আদায় পোৱাৰ কথা বৰ আনন্দৰ। উদাহৰণস্বৰূপে-

পিয়েকে বুলিলে কাজী
মন ভাল লাগিছে আজি।।

৪.০৪ পিতৃ-মাতৃ ঃ

সন্তানৰ বাবে পিতৃ-মাতৃৰ সমান কোনো আপোন হ'ব নোৱাৰে। মাক-দেউতাকে সন্তানৰ মনৰ কথা বুজি পায়। সুখ দুখৰ সমভাগী হয়। মাক-দেউতাকৰ মৰমৰ কোনো কৃত্ৰিমতা দেখা নাযায়। পুত্ৰ কাৰ্যক্ষমতা হ'লেও পিতৃৰ ওপৰত হে সংসাৰৰ দায়িত্ব সকলোতকৈ বেছি। সেইবাবে মাতৃ-ভাতৃৰ ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

পিতৃ অবিহনে ভূমিকা আছে
মাতৃৰ অবিহনে ভোজনৰ ছাৰখাৰ
ভাৰ্যা অবিহনে কুচিত নিদিয়ে ঠাই
ভাতৃ অবিহনে শত্ৰুৱে লাই পায়।

মাক-দেউতাক নহ'লে সন্তান আলৈ-আথনি হয়। কিয়নো পিতৃ-মাতৃৰ অবিহনে সন্তানক মনৰ কথা আনে বুজি নাপায়। এক কথাত ক'বলৈ গ'লে পিতৃ-মাতৃ নোহোৱা

অনাথ ল'ৰা-ছোৱালী জীৱন কেনে ধৰণৰ হয়। সেই কথা ফকৰা-যোজনাত এনে ভাৱে পোৱা যায়।

আই মৰিলে বোপাইক কম
বোপাই মৰিলে কাক কম।

৪.০৫ শাহু-বোৱাৰী ঃ

পৰিয়ালৰ এটা উল্লেখযোগ্য সম্পৰ্ক হ'ল শাহু-বোৱাৰী সকলো ত্যাগ কৰি এজনী ছোৱালীয়ে অন্য এখন ঘৰৰ দায়িত্ব গ্ৰহণ কৰে। বোৱাৰীজনীকো নিজৰ ছোৱালীৰ দৰে মৰ্যদা দিব লাগে। অসমীয়া ফকৰা-যোজনাৰ মাজত শাহু-বোৱাৰী সম্পৰ্ক সম্বন্ধে উল্লেখ পোৱা যায়।

শাহুৰ লাই মাত পালো
বছৰেকৰ মূৰত কটাৰ জী বুলিলে
স্বৰ্গখন ঢুকি পালো।।

বহুক্ষেত্ৰত শাহু-বোৱাৰী বেয়া সম্পৰ্কৰ বিষয়ে অসমীয়া ফকৰা-যোজনাৰ মাজত পোৱা যায়। যদিও শাহু-বোৱাৰীৰ ভাল সম্পৰ্কৰ কথাও অসমীয়া ফকৰা-যোজনাৰ মাজত পোৱা যায়।

শাহুৰ কেনে
লোণে আমলখীয়ে যেনে।।

৪.০৬ সতিনী ঃ

পাৰিবাৰিক সম্পৰ্কৰ ভিতৰত আন এটা সম্পৰ্ক হ'ল সতিনী। কেতিয়াবা এজন পুৰুষে দুগৰাকী বিয়া কৰালে তেতিয়া এজনী আনজনীৰ সতিনী হয়। অসমীয়া সমাজত সতিনীৰ সম্পৰ্কে ফকৰা-যোজনা পোৱা যায়। যেনে-

সতিনী অহীয়া পৈ
এবেলা কন্দুৱাই এবেলা হহুৱায়
পথালি কোলাত লৈ।।

সতিনী সদায় ঈৰ্ষাপৰায়ণ হয়। যিমানেই গুণী নহওঁক এগৰাকী আন এগৰাকীক ঈৰ্ষা কৰিবই একেলগে ডাঙৰ-দীঘল হোৱা ভনীয়েকেও সতিনীৰ ঠাই লয়। সেয়ে অসমীয়া ফকৰা-যোজনাত পোৱা যায়।

আন সতিনীয়ে লৰে চৰে
ভনী সতিনীয়ে পুৰি মাৰে।।

৪.০৭ শাহু-জোৱাই ঃ

অন্য এক উল্লেখযোগ্য সমন্ধ হৈছে শাহু-জোৱাই। শাহুৱেকে জোৱাইয়েকক নিজৰ ল'ৰাৰ দৰে মৰম কৰে। বিভিন্ন ঠাইত শাহু-জোৱাইৰ সমন্ধ বেলেগ বেলেগ ধৰণে অভিহিত কৰিলেও শাহু থকা ঘৰখনৰ প্ৰতি জোঁৱাইয়েকৰ আসক্তি বেছি আৰু শাহু নথকা ঘৰখনৰ প্ৰতি কম বুলি অসমীয়া ফকৰা-যোজনাত পোৱা যায়।

শাহু মাকে মানে জোঁৱাই
আই থাকে মানে মোমাই।

# পঞ্চম অধ্যায়

# অসমীয়া ফকৰা-যোজনাৰ বৰ্তমান আৰু ভৱিষ্যত

৫.০ অসমীয়া ফকৰা-যোজনাৰ বৰ্তমান আৰু ভৱিষ্যত ঃ

বিশেষ সাহিত্য সদায় সমাজ-জীৱনৰ লগত সম্পৰ্কযুক্ত। পাশ্চাত্য নাগৰিক জীৱনৰ আদৰ্শৰ সংস্পৰ্শত আমাৰ লোক-সমাজতো বিস্তৰ পৰিবৰ্তন আহিল। অসমীয়া লোক সাহিত্যৰ যিখন অসমীয়া সমাজক প্ৰতিফলিত কৰিছিল। সেইখন সমাজ এতিয়া নাই। লোক সাহিত্যৰ স্বজন, ব্যৱহাৰ আৰু আদৰো কমি অহা দেখা গৈছে। বৰ্তমান সময়ৰ লগত প্ৰত্যক্ষভাৱে ই খাপ নাখালেও কিছুমান ফকৰা-যোজনাত নিহিত হৈ থকা নীতি কথা সকলো সময়ৰ বাবে প্ৰাসংগিক। গতিকে এইবোৰ সাৰ্বজনীন।

ফকৰা-যোজনাৰ ক্ষেত্ৰত যিবিলাক অভিজ্ঞতাৰ আশ্ৰয় কৰি এই সমূহৰ সৃষ্টি হৈছিল। তেনে অভিজ্ঞতা আজিৰ সমাজ জীৱনৰ সৈতে খাপ নেখায়। অসমীয়া ফকৰা-যোজনাৰ স্থান লাভ কৰা প্ৰায়বিলাক বিষয়েই বৰ্তমান জীৱন যাত্ৰাৰ বাহিৰত বিষয়সমূহৰ কোনোবা সমাজত আংশিক ৰূপত আছে। সূক্ষ্ম ৰূপত চাবলৈ গ'লে লোক সাহিত্যৰ অন্যবিলাক ভাগতকৈ ফকৰা-যোজনাৰ প্ৰধানত ব্যঞ্জনা প্ৰধান।

পশ্চিমীয়া সংস্কৃতিৰ সংস্পৰ্শত জন্ম লাভ কৰা তথাকথিত আধুনিক যুগৰ আৰম্ভণী কালত লিখিত সাহিত্যৰ মাজতো মৌখিক ভাৱে প্ৰচলিত ফকৰা-যোজনা প্ৰয়োগৰ প্ৰচলন দৃষ্টিগোচৰ হয়। সম্ভৱত 'কোনো বিষয় অথবা পৰিস্থিতি প্ৰত্যক্ষ তথা প্ৰভাৱশালী ৰূপত প্ৰকাশ কৰিবৰ কাৰণে কোনো কোনো লেখকে ফকৰা-যোজনাৰ সহায় গ্ৰহণ কৰিছিল। আনকি গ্ৰন্থৰ নামাকৰণৰ ক্ষেত্ৰতো ফকৰা-যোজনাৰ ব্যৱহাৰ কৰা হৈছিল উদাহৰণস্বৰূপে হেমচন্দ্ৰ গোস্বামীৰ "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী" গ্ৰন্থখনৰ কথা উল্লেখ কৰিব পাৰি।

সামগ্ৰিক ৰূপত ক'বলৈ গ'লে অসমীয়া ফকৰা-যোজনাৰ বাবে বৰ্তমানৰ ছবিখন বৰ আশাপ্ৰদ নহয়। কাৰণ নৱ প্ৰজন্মই ইয়াৰ ব্যৱহাৰ কৰিবলৈ এৰি দিছে। অৱশ্যে যোৱা অৰ্দ্ধ শতিকাৰো অধিক কাল অসমীয়া ফকৰা-যোজনা সংগ্ৰহ আৰু সংকলন কাৰ্য যথেষ্ট পৰিমাণে হোৱা বুলিব লাগিব। ইয়াকেই অসমীয়া ফকৰা-যোজনাৰ একমাত্ৰ আশাব্যঞ্জক দিশ বুলিব পাৰি।

বৰ্তমানৰ এনে এক ছবিয়ে অসমীয়া ফকৰা-যোজনাৰ ভৱিষ্যতৰ ক্ষেত্ৰত উজ্জ্বল

সম্ভাৱনীয়তাৰ ইংগিত বহন নকৰে। কিন্তু ফকৰা-যোজনাত ব্যঞ্জনাধমিতা আদি বিষয় চালি-জাৰী চালে তলত দিয়া কথা কেইটা অনুভৱ কৰা যায়।

ক) অসমীয়া ফকৰা-যোজনা সমূহ অত্যন্ত ব্যঞ্জনাধৰ্মী গুণেৰে সমৃদ্ধ আৰু অন্তনিহিত ব্যঞ্জনাই কেতিয়াও প্ৰাসংগিকতা নেহেৰুৱাই ।

খ) কম কথাৰে অধিক ভাৱৰ প্ৰকাশ ক্ষমতা যিকোনো ভাষাৰ ক্ষেত্ৰত অত্যন্ত আৱশ্যকীয় গুণ। অসমীয়া ফকৰা-যোজনা সমূহৰ প্ৰয়োগলৈ আনিলে বৰ্তমান তথা ভৱিষ্যতেও অসমীয়া ব্যঞ্জনাশক্তিৰে সমৃদ্ধ হোৱা সুচল হ'ব।

গ) সমাজ বিজ্ঞান, মনোবিজ্ঞান, ভাষাবিজ্ঞান আদি অন্য কিছুমান বিষয় সহযোগত অসমীয়া ফকৰা-যোজনাৰ বিবিধমুখী অধ্যয়নৰ সহায়ত অসমীয়া জাতিৰ মনোবিজ্ঞান, অসমীয়া ভাষা, সমাজ-সংস্কৃতি অসমৰ লোক চিকিৎসা আদি অগণন বিষয়ে নতুন নতুন তথ্যৰ উদ্ভাৱন উদঘাটন অনাৰ সম্ভাৱনা নিহিত হৈ আছে।

উপসংহাৰ ঃ

ফকৰা-যোজনাবোৰত অসমীয়া জাতিৰ সামগ্ৰিক মানসিকতাৰ পৰিচয় পাব পাৰি। এইবোৰৰ মাজত অসমীয়া লোক মানসৰ আবেগ অনুভূতি কিছু পৰিমাণে দেখা যায়। অসমত ফকৰা-যোজনাৰ দীৰ্ঘকালীন পৰম্পৰা আছে। অধিকাংশৰে ৰচনাকাল নিৰ্ণয় কৰা সম্ভৱ নহয়। মুখ বাগৰি  আহি থাকোতে কোনো কোনো ক্ষেত্ৰত হয়তো পূৰ্বৰ চেহেৰাত কিঞ্চিৎ পৰিমানো সাধিত হৈছে। সামাজিক পৰিপেক্ষিতত প্ৰাসংগিকতা হেৰুৱাবলগীয়া হোৱা বা প্ৰাসংগিতা কমি অহা ফকৰা-যোজনা যেনেকৈ বিলুপ্তি ঘটিছে। বৃটিছৰ আগমনৰ পাছলৈকে অসমীয়াত ফকৰা-যোজনাৰ সৃষ্টি হৈ আছিল বুলি ধাৰণা হয়। প্ৰথম লিখিত সাহিত্য চৰ্যাপদৰ পৰা আৰম্ভণি কালৰ আধুনি সাহিত্যলৈকে অসমীয়া লিখিত সাহিত্যতো ফকৰা-যোজনা প্ৰয়োগৰ প্ৰৱণতা দেখিবলৈ পোৱা যায়। ফকৰা-যোজনাৰ এই অভিনৱ প্ৰয়োগে অসমীয়া সমাজত ফকৰা-যোজনাৰ আদৰ, তাৰ প্ৰতি সাম্প্ৰতিক কালতো লোকমনৰ আকৰ্ষণৰ কথাকে সূচায়।

সিদ্ধান্ত ঃ

ক) ফকৰা-যোজনাবোৰ পুৰুষানুক্ৰমে মুখ বাগৰি আহি লাহে লাহে সাহিত্যিকৰ ৰচনাত স্থান লাভ কৰি পৰিপুষ্টি আৰু স্থায়িত্ব লাভ কৰিলে। বাস্তৱ জীৱনৰ কঠোৰতা পক্ষপাত ঈষা, পৰশ্ৰী কাতৰতা, কাজিয়া পেছাল আদি মানৱ চৰিত্ৰই বিভিন্ন দিশ লোক-সাহিত্যৰ আন শাখতকৈ ফকৰা-যোজনাত প্ৰত্যক্ষভাৱে প্ৰকাশিত হোৱা দেখা যায়।

খ) লোক সমাজৰ ধ্যান-ধাৰণা আৰু অভিজ্ঞতা পৰিপুষ্ট হৈ ফকৰা-যোজনাই ভাব ৰস আৰু ব্যঞ্জনাৰ মাধ্যমেদি শ্ৰোতাৰ হৃদয়ত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। অসমীয়া সমাজৰ অন্যতম আপুৰুগীয়া সম্পদ ফকৰা-যোজনাৰ মাজেদি অসমীয়া জীৱনৰ যুগ-যুগ ধৰি সংগৃহীত হোৱা চিন্তা, অভিজ্ঞতা আৰু ধ্যান ধাৰণাৰ সাৰ্বজনীন ৰূপ প্ৰকাশিত হৈছে।

গ) প্ৰকৃতিৰ সৈতে মানুহৰ চিৰন্তন সংগ্ৰাম বন্য জীৱ-জন্তু চৰাই আদিৰ সৈতে গঢ় লৈ উঠা আন্তৰিক সম্পৰ্ক বতৰ আৰু জলবায়ুৰ পৰিবৰ্তন প্ৰকৃতি আৰু ঋতু পৰিবৰ্তন মনলৈ কঢ়িয়াই অনা অবিস্মৰণীয় স্মৃতি আৰু অভিজ্ঞতা প্ৰভূতিৰ ফকৰা-যোজনাৰ মাজেদি প্ৰকাশ লাভ কৰিছে।

ঘ) লোক সাহিত্যৰ অন্যান্য শৈলীৰ তুলনাত ইয়াৰ পৰিৱেশন শৈলী যথেষ্ট সুকীয়া। কম কথাৰে ভাৱ প্ৰকাশ ফকৰা-যোজনাৰ এক বৈশিষ্ট্য। এই ফকৰা-যোজনাবোৰত জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে অসমীয়া জনসাধাৰণৰ আবেগ-অনুভূতি কল্পনা-অভিজ্ঞতা আদিৰ পৰিস্ফুৰণ ঘটিছে।

গ্ৰন্থপঞ্জী ঃ


| | |
|---|---|
| বৰুৱা, বিৰিঞ্চি কুমাৰ | - "অসমৰ লোক সংস্কৃতি" (১৯৬১) বীণা লাইব্ৰেৰী |
| নেওগ, মহেশ্বৰ | - "অসমীয়া সাহিত্যৰ ৰূপৰেখা (১৯৬২) শ্ৰী ৰাজেন্দ্ৰ মোহন শৰ্মা চন্দ্ৰ প্ৰকাশ। |
| বৰুৱা, চন্দ্ৰধৰ | - "ৰত্নকোষ" (১৯৬২) শৰাইঘাট প্ৰকাশন। (প্ৰথম খণ্ড) |
| বৰুৱা, চন্দ্ৰধৰ | - "ৰত্নকোষ" (১৯৯৮) শৰাইঘাট প্ৰকাশন (দ্বিতীয় খণ্ড) |
| কোঁচ, জীৱন চন্দ্ৰ | - "অসমীয়া ভাষাৰ অলংকাৰ" ফকৰা-যোজনা (১৯৯০) বললতা প্ৰকাশন। |
| ফুকন, চিত্ৰলেখা | - "ফকৰা-যোজনা আৰু অসমীয়া সমাজ" (২০১৬) অসম সাহিত্য সভা। |
| শৰ্মা, নবীন চন্দ্ৰ | - "অসমৰ লোক সাহিত্য (২০১৮) জ্যোতি প্ৰকাশন। |